# মন কি বাত

খণ্ড - 4



# MANN KI BAAT
## VOL.4

Script Writers
Sarda Mohan and Shashi Mukherjee

Illustrations and Cover Art
Dilip Kadam

Assistant Artist
Ravindra Mokate

Layout Artist
Tarangini Mukherjee

Edited and Produced by
Amar Chitra Katha

Published by
Amar Chitra Katha Pvt. Ltd

**ASSAMESE**

ISBN – 978-81-19596-14-0

Amar Chitra Katha Pvt. Ltd, July 2023

© Ministry of Culture, Govt of India, July 2023
All rights reserved. This book is sold subject to the condition that the publication may not be reproduced, stored in a retrieval system (including but not limited to computers, disks, external drives, electronic or digital devices, e-readers, websites), or transmitted in any form or by any means (including but not limited to cyclostyling, photocopying, docutech or other reprographic reproductions, mechanical, recording, electronic, digital versions) without the prior written permission of the publisher, nor be otherwise circulated in any form of binding or cover other than that in which it is published and without a similar condition being imposed on the subsequent purchaser.

You can now get ACK stories as part of your classroom with ACK Learn, a unique learning platform that brings these stories to your school with a range of workshops. Find out more at www.acklearn.com or write to us at acklearn@ack-media.com.



আনৰ লাভ হ’ব পৰা কিবা এটা কাম আৰম্ভ কৰাৰ কোনো নিৰ্দিষ্ট বয়স বা সময় বা স্থান নেথাকে। এনে কাম কৰাৰ অনুপ্ৰেৰণা আহে হদয়ৰ পৰা। আমি হৃদয়ৰ ভিতৰৰ পৰা এক ক্ষীণ আহ্বান শুনো, যি আমাক এনে কাম কৰিবলৈ উদগণি দিয়ে। কিন্তু একে সময়তে আমি মনৰ ভিতৰৰ পৰা এক দৃঢ় কণ্ঠস্বৰো শুনো যি আমাক কয় যে আমাৰ ওচৰত সময়ৰ অভাৱ, বা আমাৰ ওচৰত ধনৰ অভাৱ বা আমাৰ বয়স কম বা অধিক বেছি।

এই কমিকত, আপুনি এনে লোকসকলৰ বিষয়ে জানিবলৈ পাব যিসকলে তেওঁলোকৰ হৃদয়ৰ ক্ষীণ আহ্বানক অনুসৰণ কৰি মহান কাম হাতত লৈছিল।

চম্পা দেৱী আছিল এখন বিদ্যালয়ৰ মধ্যাহ্ন ভোজন কৰ্মী, যি নিজৰ গাওঁৰ লোকসকলক পচন সাৰ প্ৰস্তুত কৰি প্ৰদূষণ হ্ৰাস কৰিবলৈ শিকাইছিল।

ৰামবীৰ তানৱাৰ, যি হ্ৰদসমূহ পৰিষ্কাৰ আৰু পুনৰোজ্জীৱিত কৰিবলৈ এটা ভাল চাকৰি এৰি দিছিল।

ৰাধিকা শাস্ত্ৰী আছিল এখন কেফেৰ গৰাকী, যি মানুহ আৰু জন্তুৰ বাবে অটো-এম্বুলেন্স আৰম্ভ কৰিছিল কাৰণ নিয়মীয়া এম্বুলেন্স চলাচল কৰিব পৰাকৈ ৰাস্তাসমূহ বহল নাছিল।

আৰু এনে বহু লোক আছে, যি উজু পথ গ্ৰহণ নকৰি সৰ্বসাধাৰণে নোলোৱা পথত আগবাঢ়ি গৈছিল, যাতে তেওঁলোক মানুহ, জন্তু আৰু পৰিৱেশৰ বাবে উপযোগী কিবা অৱদান আগবঢ়াব পাৰে।

# সমগ্ৰী


| | | |
|---|---|---|
| 1 | চম্পা দেৱী | 3 |
| 2 | ৰামবীৰ তানৱাৰ | 6 |
| 3 | ওম প্ৰকাশ সিং | 9 |
| 4 | ৰাধিকা শাস্ত্ৰী | 11 |
| 5 | চিন্তলা ভেংকট ৰেড্ডী | 13 |
| 6 | সন্দীপ কুমাৰ বাডস্ৰা | 16 |
| 7 | সুৰেশ আৰু মিতালী | 18 |
| 8 | দীপমালা পাণ্ডে | 21 |
| 9 | শ্ৰীমান নাৰায়ণন | 24 |
| 10 | ড. কুৰিল্লা ভিট্টালচাৰ্য | 27 |
| 11 | ৰাহুল মহাৰাণা | 30 |

# চম্পা দেৱী




*চৰকাৰী বিদ্যালয়ৰ আহাৰ কাৰ্যসূচীৰ কৰ্মী যি স্কুলৰ শিশুৰ বাবে খাদ্য প্ৰস্তুত কৰে


তুমি পাচলিৰ বাকলি, পাত আৰু পেলনীয়া খাদ্য এক বিশেষ ডাষ্টবিনত সংগ্ৰহ নকৰা কিয়? সেইবিলাক পচন সাৰলৈ পৰিৱৰ্তন হ'ব আৰু তোমাৰ পাচলিৰ বাগিচাত ব্যৱহাৰ কৰিব পাৰিবা।
সঁচানে? ধোঁৱাৰ পৰা আমি বৰ কষ্ট পাই আহিছো। আপুনি শিকাই দিব নেকি?
নিশ্চয়
অন্য মহিলাসকলেও চম্পা দেৱীৰ পৰা শিকিব বিচাৰিলে। সোনকালেই –
এই গাঁতটোত আমি পাকঘৰৰ পেলনীয়া সামগ্ৰী, শুকান পাত আৰু ঘাঁহ তৰপে তৰপে জাপি দিম। পাকঘৰৰ তিতা আৱৰ্জনাৰ এটা তৰপ আৰু বাগিছাৰ শুকান আৱৰ্জনাৰ এটা তৰপ।
লাহে লাহে, পৰ্যায়ক্ৰমে, চম্পা দেৱীয়ে গাওঁখনৰ মহিলাসকলক কিদৰে পচন সাৰ প্ৰস্তুত কৰিব লাগে আৰু আৱৰ্জনা জ্বলোৱাটো পৰিহাৰ কৰিব লাগে শিকাইছিল।
অতি সোনকালেই, তেওঁ আৱৰ্জনাবোৰ পৃথক কৰি জমা কৰিবলৈ ৰঙা আৰু সেউজীয়া পাত্ৰ যোগান ধৰিছিল।
পাকঘৰৰ আৱৰ্জনা সেউজীয়া পাত্ৰত আৰু শুকান আৱৰ্জনাবোৰ ৰঙা পাত্ৰত ৰাখিবা। যেতিয়া সেউজীয়া পাত্ৰটো পূৰ্ণ হয়, তেতিয়া আৱৰ্জনাবোৰ গাঁতৰ পেলাই দিবা।
আৱৰ্জনা পৃথক কৰাৰ বিষয়ে জানিবলৈ পাই ল'ৰা-ছোৱালীবোৰ উৎসাহিত হৈ পৰিছে!


অলপ দিনৰ ভিতৰতে, মহিলাসকলে গোটেই গাওঁখনতে ৰঙীন পাত্ৰ বিতৰণ কৰিছিল। ভিন্ন প্ৰকাৰৰ আৱৰ্জনাৰ বাবে ভিন্ন ৰঙৰ পাত্ৰ বিতৰণ কৰিছিল।
কাগজ, গ্লাছ আৰু ধাতুৰ আৱৰ্জনাৰ বাবে নীলা পাত্ৰ ব্যৱহাৰ কৰিবা। সেইবোৰ পুনৰ ব্যৱহাৰ কৰিব পাৰি।
বটল আৰু থোঙাৰ দৰে প্লাষ্টিকৰ সামগ্ৰী হালধীয়া পাত্ৰত ৰাখিবা, সেইবোৰ পুনৰ্ব্যৱহাৰ কৰিব পাৰি।
কেইসপ্তাহমানৰ পিছত –
আমি বৃক্ষৰোপণৰ বাবে একগোট হোৱাটো বৰ ভাল হৈছে।
অধিক গছৰ অৰ্থ হৈছে পৰিষ্কাৰ বায়ু!
চম্পা দেৱীৰ এনে পদক্ষেপৰ খবৰ চুবুৰীয়া গাওঁবোৰলৈও বিয়পি পৰিছিল।
আপুনি আপোনাৰ গাওঁৰ চেহেৰা সলনি কৰি পেলাইছে, চম্পা দেৱী! আমাকো শিকাওক।
নিশ্চয়! আমাৰ সন্তান আৰু আমাৰ বাবে আমাৰ সকলো গাওঁ পৰিষ্কাৰ আৰু স্বাস্থ্যকৰ হোৱা উচিত।
তিনি বছৰৰ পিছত, প্ৰধানমন্ত্ৰী মোডীয়ে তেওঁৰ ৰেডিঅ' অনুষ্ঠান মন কি বাতত চম্পা দেৱীৰ প্ৰচেষ্টাৰ বিষয়ে উল্লেখ কৰে, চম্পা দেৱীৰ এনে সাফল্যত গোটেই গাওঁখনতে আনন্দৰ জোৱাৰ উঠে।
চম্পা দেৱীয়ে শ শ গছ ৰোপণ কৰিছে আৰু কঠোৰ পৰিশ্ৰম কৰি সেউজীয়াৰে ভৰা এখন গাওঁ সৃষ্টি কৰিছে
চম্পা দেৱীয়ে আশা কৰে যে এক সেউজীয়া আৰু পৰিষ্কাৰ পৰিৱেশ সৃষ্টি কৰাৰ লক্ষ্য লৈ অধিক লোক আগবাঢ়ি আহিব

# ৰামবীৰ তানৱাৰ



নায়াৰ ছাৰে শিক্ষাৰ্থীসকলক পৰিভ্ৰমী চৰাই দেখুৱাবলৈ ওচৰৰ হ্ৰদটোলৈ লৈ গৈছিল, কিন্তু –
ইছ্! হ্ৰদটোৰ অৱস্থা চোৱা!
পানী একেবাৰে কম, চাৰ।
আৰু পচা আৱৰ্জনাৰ দুৰ্গন্ধ আহি আছে।
আমি পাৰ্কলৈ যাওঁ আহা। মই এটা কাহিনী কম যিটোৱে হয়তো তোমালোকক অনুপ্ৰাণিত কৰিব।
কাহিনীটো আন এটা লেতেৰা হ্ৰদৰ বিষয়ে নেকি, চাৰ?
কাহিনীটো প্ৰায় ৪0 টা লেতেৰা আৰু মৃতপ্ৰায় হ্ৰদৰ বিষয়ে, কিন্তু সেইবিলাক এতিয়া পুনৰুজ্জীৱিত কৰা হৈছে।
ৰামবীৰ তানৱাৰে স্কুলৰ পৰা আহি দুপৰীয়াৰ আহাৰ শেষ কৰিবলৈ সদায় খৰধৰ কৰিছিল।
ৰামবীৰ, লাহে লাহে খোৱা, নহ'লে ডিঙিত লাগি ধৰিব!
ঠিক আছে, মা।


ল'ৰাটো এনেদৰে দৌৰিছে যেন ক'ৰবাত জুইহে লাগিছে।
সি জুইৰ বাবে দৌৰা নাই, দৌৰিছে পানীৰ বাবেহে।
সেয়া সঁচা আছিল। প্ৰতিদিনে, ৰামবীৰে গৰুৰ জাক এটা ঘৰৰ ওচৰৰ হ্ৰদৰ কাষত চৰাবলৈ লৈ গৈছিল।
এয়াই দিনটোৰ আটাইতকৈ ভাললগা সময়। গৰুবোৰে ভাল ঘাঁহ পায় আৰু মই উপভোগ কৰিবলৈ পাও সুন্দৰ দৃশ্য।
বতাহে পানীৰ ওপৰত সৃষ্টি কৰা ঢৌবিলাক চাই চাই ৰামবীৰে ঘন্টাৰ পিছত ঘণ্টা অতিবাহিত কৰিছিল।
কেইবাটাও বছৰ পাৰ হৈ গ'ল আৰু ৰামবীৰে মেকানিকেল ইঞ্জিনিয়াৰিং পঢ়িবলৈ চহৰলৈ ৰাওনা হ'ল। কিন্তু প্ৰতিবাৰেই তেওঁ ঘৰলৈ আহোতে –
তেওঁলোকে গৃহ নিৰ্মাণৰ বাবে এটাৰ পিছত এটাকৈ হ্ৰদ পুতিবলৈ ধৰিছে। এজোপা গছো বাকী ৰখা নাই।
হয়, পুত্ৰ। তেওঁলোকে কয় যে আমাৰ গাঁওখনৰ বিকাশ হৈছে।
তেওঁ এই বিষয়ে তেওঁৰ বন্ধু আৰু সহপাঠীসকলৰ সৈতে আলোচনা কৰিলে।
এই বিকাশে দাধা অঞ্চলটোৰ চেহেৰাই সলাই পেলাইছে। গ্ৰেটাৰ নয়ডা হৈ পৰিছে এক কোলাহলময় জনাকীৰ্ণ নগৰাঞ্চল।
আমি সকলো মিলি কিবা এটা কৰিব লাগিব।
সৌভাগ্যক্ৰমে, তেওঁলোকে মহাবিদ্যালয়ত পৰিৱেশমূলক কাৰ্যসূচীত যোগদান কৰাৰ সুযোগ পালে।
এইটোৱেই আমাৰ সুযোগ। আমি এটা গোট গঠন কৰিম আৰু জলাশয়সমূহ ৰক্ষা কৰাটো যে অতি প্ৰয়োজনীয় সেই বিষয়ে সকলোকে শিক্ষিত কৰি তুলিম।
গোটত ময়ো থাকিম।
ময়ো!



ৰামবীৰে 'জল চৌপাল'* নামেৰে এটা গোট গঠন কৰিলে - আৰু বন্ধুবৰ্গৰ সৈতে মিলি গাওঁবাসীৰ সৈতে অনানুষ্ঠানিক বাৰ্তালাপ আৰম্ভ কৰিলে।
বাবুজী, আমি আমাৰ হ্ৰদবোৰ সুৰক্ষিত কৰিব লাগিব, নহ'লে সেইবোৰ নিৰ্মাতাসকলে দখল কৰিব।
তুমি ঠিকেই কৈছা, পুত্ৰ। আমি কি কৰিব লাগে কোৱা।
ৰামবীৰে এটা ডাঙৰ কোম্পানীত চাকৰি পাইছিল যদিও দুবছৰৰ ভিতৰতে তেওঁ সেই চাকৰি এৰি দিলে।
মোৰ বাবে এটা ডাঙৰ কাম ৰৈ আছে। নগৰৰ লেতেৰা পানী হ্ৰদলৈ যি পদ্ধতিৰে নিষ্কাশন কৰা হয়, মূল সমস্যাটো তাতেই। সকলো লেতেৰা পানী আৰু আৱৰ্জনা হ্ৰদত পেলাই দিয়া হয়।
2018 চনত ৰামবীৰে 'চে আৰ্থ'(Say Earth) নামৰ এটা এনজিঅ' প্ৰতিষ্ঠা কৰে যি জলাশয়সমূহ পুনৰুজ্জীৱিত কৰাৰ লগতে নগৰত বনাঞ্চল সৃষ্টি কৰাৰ দিশত কাম কৰে।
হ্ৰদসমূহত আৱৰ্জনা স্তৰ ৰূপে থাকে। এই স্তৰবোৰ এটা এটাকৈ আঁতৰাব লাগিব, পানীৰ প্ৰাকৃতিক অনুস্ৰৱণ সম্ভৱ কৰিব লাগিব আৰু চাৰিওফালে বৃক্ষৰোপণ কৰিব লাগিব।
ছটা বছৰত, ৰামবীৰৰ এনজিঅ'ই 80 টা হ্ৰদ পুনৰুজ্জীৱিত কৰিছে আৰু ছখন ৰাজ্যত চাৰিখন নগৰীয়া বনাঞ্চল সৃষ্টি কৰিছে।
হ্ৰদৰ চাৰিওফালে মানুহে খোজ কঢ়া আৰু চৰাই-চিৰিকতি ইয়ালৈ অহা দেখিলে, মোৰ বৰ ভাল লাগে।
মানুহে ৰামবীৰক 'পণ্ডমেন অফ ইণ্ডিয়া' বুলি আখ্যা দিয়ে। প্ৰধানমন্ত্ৰীয়েও তেওঁৰ প্ৰচেষ্টাক স্বীকৃতি প্ৰদান কৰিছে আৰু তেওঁক ভূয়সী প্ৰশংসা কৰিছে।

# ওম প্ৰকাশ সিং




*গ্ৰাম্য আৰু দূৰৱৰ্তী স্থানত চৰকাৰী সেৱা প্ৰদান কৰাৰ বাবে সুবিধা




*হিন্দীত খুৰা

^এটা গ্ৰাম্য মাতৃ আৰু শিশু-যত্ন কেন্দ্ৰ

# ৰাধিকা শাস্ত্ৰী


সকলো ল'ৰা-ছোৱালীয়ে বিদ্যালয়ৰ সন্মুখত জুম বান্ধি এম্বুলেন্স এখনে দশম শ্ৰেণীৰ ছাত্ৰ এজনক চিকিৎসালয়লৈ লৈ যোৱা চাই আছিল।
বেচেৰা ৰাউল! তেওঁ ক্ৰিকেট খেলি থাকোতে ভৰিত মোচোকা খালে যেন লাগিছে।
হাড় ভাগিব পাৰে বুলি কৈছে। যি কি নহওক, এম্বুলেন্সে সোনকালেই তেওঁক চিকিৎসালয়ত ভৰ্তি কৰিব।
হয়, তেওঁ পাঁচ মিনিটৰ ভিতৰত তাত উপস্থিত হ'ব। কিন্তু যদি এখন এম্বুলেন্স সময়মতে আহি পাবলৈ সক্ষম নহয়, তেতিয়া? কুন্নুৰত ৰাধিকা শাস্ত্ৰীৰ তেনে অভিজ্ঞতাই হৈছিল।
ৰাধিকা শাস্ত্ৰীয়ে বাংগালুৰুত 30 বছৰ ধৰি কাম কৰিছিল। এতিয়া কুন্নুৰত তেওঁ এখন কেফে খুলিছে।
মানুহে মোক কৈছে যে এখন নিৰামিষ কেফে সফল নহ'ব। কিন্তু মই বিশ্বাস কৰো যে সফল হ'ব।
কেফে ডাইমে সোনকালেই আশাতীত জনপ্ৰিয়তা লাভ কৰিলে, আৰু ৰাধিকাৰ মন আন সমস্যাসমূহে আগুৰি ধৰিলে।
সেই এম্বুলেন্সখন ঠেক পথেদি যাব নোৱাৰে। তেওঁলোকে ৰোগীক তললৈ কঢ়িয়াই আনিব লাগিব!




*নীলগিৰিত বাস কৰা এটা জনজাতি

# চিন্তলা ভেংকট ৰেড্ডী



বিৰতিৰ পিছত শিক্ষাৰ্থীসকল শ্ৰেণীলৈ উভতি আহিছিল।
সোনাল, তুমি খেলিবলৈ কিয় অহা নাছিলা?
মই পঢ়ি আছিলো।
চাৰ, সোনালে কেতিয়াও ৰ'দত খেলিবলৈ নাহে।
মই শুনিছো যে ভিটামিন ডি পোৱাৰ একমাত্ৰ উপায়টো হৈছে সূৰ্যৰ ৰ'দ।
সুজিত, দুগ্ধজাত সামগ্ৰীতো ভিটামিন ডি পোৱা যায়। চিন্তলা ভেংকট ৰেড্ডীয়ে ভিটামিন ডি থকা উদ্ভিদৰ খেতি কৰাৰ এটা অভিনৱ উপায় বিচাৰি উলিয়াইছে।
2017 চনত, তেলেংগানাৰ এগৰাকী সচ্ছল কৃষক চিন্তলা ভেংকট ৰেড্ডীয়ে তেওঁৰ চিকিৎসক বন্ধুৰ সৈতে কথা পাতি আছিল।
ৰেড্ডী, তুমি বৰ ভাগ্যৱান যে এজন কৃষক হোৱাৰ বাবে প্ৰতিদিনে পৰ্যাপ্ত ৰ'দ ল'বলৈ পোৱা।
কিয়বা তেনেকৈ ক'লা?
আজিকালি মোৰ বেছিভাগ কম বয়সীয়া ৰোগীৰ ভিটামিন ডিৰ অভাৱ ঘটিছে। সকলোৱেই ঘৰৰ ভিতৰতে কামত ব্যস্ত হৈ থাকে, তেওঁলোক ৰ'দ লবলৈ সুবিধাই নেপায়।
সেইটো ভাল কথা হোৱা নাই!
হয়, ভিটামিন ডি-য়ে হাড় আৰু পেশীৰ স্বাস্থ্য নিয়ন্ত্ৰণ কৰে আৰু ইয়াৰ অভাৱৰ ফলত ভাগৰ লাগিব পাৰে, ৰোগ প্ৰতিৰোধ ক্ষমতা দুৰ্বল হ'ব পাৰে আৰু হতাশা বৃদ্ধি হ'ব পাৰে।
এই কথোপকথনে ৰেড্ডীৰ মনত গভীৰ প্ৰভাৱ পেলাইছিল।
ভিটামিন ডিৰ অভাৱৰ বাবে যুৱক-যুৱতীসকলৰ স্বাস্থ্য অধোগামী হোৱাটো এক গুৰুতৰ সমস্যা। কিবা এটা কৰাৰ প্ৰয়োজন।


এদিন খেতিপথাৰত থাকোতে, ৰেড্ডীৰ মনলৈ এক চিন্তা আহিল।
যদি উদ্ভিদে নিজৰ খাদ্যৰ বাবে সালোক সংশ্লেষণ কৰিব পাৰে, তেন্তে সূৰ্যৰ ৰশ্মিৰ পৰা ভিটামিন ডি কিয় প্ৰস্তুত কৰিব নোৱাৰে?
ৰেড্ডীয়ে তেওঁৰ খেতিপথাৰত পৰীক্ষা-নিৰীক্ষা কৰিবলৈ আৰম্ভ কৰিলে।
এনে কিছুমান উদ্ভিদ আছে যি ভিটামিন এ আৰু চি উৎপাদন কৰিব পাৰে, সেইবিলাকে ভিটামিন ডিও প্ৰস্তুত কৰিব পাৰে নেকি চোৱা যাওক।
ৰেড্ডীয়ে তেওঁৰ পৰীক্ষাৰ বাবে চাউল আৰু ঘেঁহু লগাবলৈ তিনিটা 'নমুনা বেড' সৃষ্টি কৰিলে।
এটা বেডত, তেওঁ কণী, গাখীৰ, ঘিউ আৰু চীজৰ দৰে পশুজাত সামগ্ৰী মিহলাই দিলে।
মই আশাকৰো উদ্ভিদে এইবোৰৰ পৰা পুষ্টি শোষণ কৰিব।
দ্বিতীয়টোত, তেওঁ ভিটামিন ডি টেবলেটৰ এটা দ্ৰৱণ মিহলাই দিলে।
তৃতীয় বেডটোত তেওঁ মিহলালে গাজৰ, মিঠা আলু আৰু মাকৈৰ আটাৰ মিশ্ৰণ।













*আন্তৰ্জাতিক একক

^চিভিআৰ (চিন্তলা ভেংকট ৰেড্ডী) মাটিৰ কৌশল হিচাপে জনাজাত

**এনে এক কৌশল য'ত উৰ্বৰতা বৃদ্ধি কৰাৰ বাবে মাটিৰ ওপৰৰ স্তৰটো সলনি কৰা হয়

# সন্দীপ কুমাৰ বাডস্ৰা




*কিতাপ আৰু বাতৰি কাকত সংগ্ৰহ কৰা পেলনীয়া বস্তুৰ সংগ্ৰাহক




*হিন্দীত ভাতৃৰ-পত্নী

^হিন্দীত খুৰা

# সুৰেশ আৰু মৈথিলী




*চিৰাপৰ সোৱাদযুক্ত গুৰি কৰা বৰফ




*এই সামগ্ৰীৰ বাবে ব্যৱহৃত শব্দ

^কৃষি বিকাশৰ বাবে এক চৰকাৰী আঁচনি


সুৰেশ আৰু মৈথিলীয়ে ভূমি কৃষি উদ্যোগ নামৰ এটা ক্ষুদ্ৰ উদ্যোগ আৰম্ভ কৰিলে।
অতি সোনকালেই তেওঁলোকে কেইজনমান শ্ৰমিক যোগাৰ কৰিবলৈ সক্ষম হ'ল। তেওঁলোকে অতিৰিক্ত সামগ্ৰী তৈয়াৰ কৰা কাম আৰম্ভ কৰিলে।
সেই সামগ্ৰীবোৰে সোনকালেই গ্ৰাহকক আকৰ্ষণ কৰিবলৈ সক্ষম হ'ল।
এই প্লেটবোৰ মাইক্ৰ'ৱেভ অভেনতো ব্যৱহাৰ কৰিব পাৰি।
আচৰিত!
বিশ্বাসেই নহয় যে এই চেণ্ডেলবোৰ সম্পূৰ্ণৰূপে জৈৱ-পচনশীল। প্লাষ্টিক আৰু চামৰাৰ কি এক সুন্দৰ বিকল্প!
আজি, সুৰেশ আৰু মৈথিলীৰ ব্যৱসায়ে সফলতা লাভ কৰিছে, তেওঁলোকে তৈয়াৰ কৰা সামগ্ৰী আন দেশলৈও ৰপ্তানি কৰা হৈছে।
This is an artist's interpretation of the map and does not claim to be accurate.
প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ৰেডিঅ' অনুষ্ঠানত এই দম্পতীক প্ৰশংসা কৰাৰ লগতে নাগৰিকসকলক থলুৱা, বহনক্ষম সামগ্ৰী ক্ৰয় কৰিবলৈ উৎসাহিত কৰিছে।

# দীপমালা পাণ্ডে




*উত্তৰ প্ৰদেশৰ এখন চহৰ



এই শিশুটি আপোনাৰ সৈতে সদায় কিয় থাকে? তেওঁ শ্ৰেণীত উপস্থিত থাকিব নালাগে নেকি?
তেওঁ এতিয়াও বিদ্যালয়ৰ পৰিৱেশৰ সৈতে অভ্যস্ত হোৱা নাই। আমি ধৈৰ্য্য ধৰা উচিত।
দীপমালাই সাংকেতিক ভাষা ব্যৱহাৰ কৰি আনমোলৰ সৈতে ভাৱ-বিনিময় কৰিবলৈ আৰম্ভ কৰিছিল...
সুপ্ৰভাত।
... আৰু আনমোলেও ভাৱ-বিনিময় কৰিবলৈ আৰম্ভ কৰিলে।
অৱশেষত, তেওঁ শ্ৰেণীত আন শিক্ষাৰ্থীসকলৰ সৈতে একেলগে বহি শিকিছিল।
আনমোলে চৰকাৰী বৃত্তি লাভ কৰাৰ দিনটো এক গৌৰৱৰ দিন আছিল।
সাধাৰণতে বিশেষভাৱে সক্ষম শিশুৰ পিতৃ-মাতৃয়ে তেওঁলোকৰ হৈ প্ৰপত্ৰখনত স্বাক্ষৰ কৰে কিন্তু আনমোলে নিজেই ইয়াত স্বাক্ষৰ কৰিছে!
মোৰ পুত্ৰ ইমান আত্মবিশ্বাসী আৰু আত্মনিৰ্ভৰশীল হৈ পৰিছে।




*বিশেষভাৱে সক্ষম ব্যক্তিৰ অধিকাৰ আইন

# শ্ৰীমান নাৰায়ণন




*কেৰালাৰ জিলা

^মালায়ালমত ডাঙৰ ককায়েক


পিছদিনা নাৰায়ণনে তেওঁৰ ঘৰত কিছুমান পুৰণি পাত্ৰ বিচাৰি পালে আৰু সেইবোৰ পানীৰে ভৰ্তি কৰিলে।
এই মাটিৰ পাত্ৰবোৰে এশ জনী চৰাইৰ বাবে পৰ্যাপ্ত পানী ৰাখিব পাৰিব।
নাৰায়ণনে অধিক সংখ্যক পাত্ৰ কিনি আনি সেইবোৰ তেওঁৰ চুবুৰীয়াসকলৰ মাজত বিতৰণ কৰিবলৈ আৰম্ভ কৰিলে।
অনুগ্ৰহ কৰি এইবোৰত পানী ভৰাই আপোনাৰ ঘৰৰ পিছফালে ৰাখক। বহুতো চৰাইয়ে এই পানীৰে তৃষ্ণা নিবাৰণ কৰিব পাৰে।
আমি সেয়া কৰিবলৈ পালে আনন্দ পাম।
অতি সোনকালেই, বহুলোকে নাৰায়ণনৰ এই পদক্ষেপৰ বিষয়ে জানিব পাৰিলে আৰু পাত্ৰবোৰ পানীৰে ভৰ্তি কৰি তেওঁলোকৰ চোতালত ৰাখিবলৈ ধৰিলে।
মই কিমানটা পাত্ৰ ল'ব পাৰো?
আপুনি চৰাইবোৰক পানী দিবলৈ যিমান ব্যৱহাৰ কৰিব পাৰে সিমান লওক। আমি চৰাইবিলাকৰ বাবে কমেও এইখিনি কৰা উচিত।
নাৰায়ণনে তেওঁৰ প্ৰকল্পটোৰ নাম দিছিল জীৱা জলাথিনুৰুমানুমানুপথম*।
কেইসপ্তাহমানৰ পিছত –
আপুনি কি কৰি আছে, চেতা?
মই বৃক্ষৰোপণ কৰি আছো, পাৰ্থ। এই গছবোৰত লগা ফলবোৰ আমাৰ আৰু চৰাইবোৰৰ বাবে উপযোগী হ'ব।
নাৰায়ণন আকৌ এবাৰ তেওঁৰ চুবুৰীয়াসকলৰ ঘৰলৈ গ'ল।
আপোনাৰ চৌহদত ফলৰ গছ ৰোপণ কৰিবলৈ আমাক অনুমতি দিয়ক। কিন্তু এটা চৰ্ত আছে যে এজোপা গছৰ ফল চৰাইবোৰৰ বাবে ৰখা হ'ব।
নিশ্চয়, নাৰায়ণন চাৰ!
পৰৱৰ্তী কেইমাহমানৰ ভিতৰতে, নাৰায়ণনে তেওঁৰ গাঁৱত 10,000ৰো অধিক গছপুলি ৰুবলৈ সক্ষম হ'ল।


তেওঁ শ শ গছপুলি কিনিবলৈ আৰম্ভ কৰিলে আৰু –
সৰোজিনী আম্মা, কেইটামান গছপুলি লোৱা আৰু সেইবোৰ তোমাৰ ঘৰৰ চাৰিওফালে ৰুই দিয়া।
কেইটামান মৰো লও নেকি? মই এটা চাপোটাৰ পুলি দেখিছো।
তেওঁ এখন গাওঁৰ পৰা আন এখন গাঁৱলৈ গৈ গছপুলিবিলাক বিতৰণ কৰিলে।
নাৰায়ণন, আপুনি সঁচা অৰ্থত এজন পৰিৱেশ কৰ্মী, কিন্তু আপুনি এই গছপুলিবিলাক কিনিবলৈ পুঁজি ক'ৰ পৰা সংগ্ৰহ কৰে?
মোৰ তিনিওটা সন্তানেই ভালদৰে থিতাপি লৈছে আৰু সুখী। এতিয়া মই মোৰ সকলো উপাৰ্জন এই কাৰণৰ বাবে উৎসৰ্গিত কৰিছো।
নাৰায়ণনে 15 লাখৰো অধিক টকা ব্যয় কৰি তেওঁৰ সমগ্ৰ জিলাখনত 50,000 গছপুলি বিতৰণ কৰিলে
পৰৱৰ্তী গ্ৰীষ্মকালত –
মাটিৰ পাত্ৰ বিতৰণ অভিযান পুনৰ আৰম্ভ কৰিবনে?
হয়, মই ইতিমধ্যে 10,000 টা মাটিৰ পাত্ৰ অৰ্ডাৰ কৰিছো। তুমি মোক সেইবোৰ বিতৰণ কৰাত সহায় কৰিবানে?
নিশ্চয়! আমি সেইবোৰ আৱাসিক সম্প্ৰদায় আৰু বিদ্যালয় আৰু মহাবিদ্যালয়তো বিতৰণ কৰিম।
যেতিয়া পাত্ৰবোৰ বিতৰণ কৰি শেষ হ'ল, নাৰায়ণনে অধিক পাত্ৰ তৈয়াৰ কৰিবলৈ দিলে।
পৰৱৰ্তী তিনিটা বছৰত, নাৰায়ণনে প্ৰায় এক লাখ মাটিৰ পাত্ৰ বিনামূলীয়াকৈ বিতৰণ কৰিলে।
মই বৰ্তমান চলি থকা পৰিৱেশ ধ্বংসকাৰ্যক উপেক্ষা কৰি মোৰ ভৱিষ্যতৰ বাবে সঞ্চয় কৰিব নিবিচাৰো।
মহাত্মা গান্ধীৰ মতাদৰ্শৰ অনুগামী নাৰায়ণনে তেওঁৰ পদক্ষেপৰ বাবে অলপতে এছ.কে. পটেক্কাট বঁটা আৰু বৃক্ষ মিত্ৰ বঁটা লাভ কৰিছে।

# ড. কুৰিল্লা ভিট্টালচাৰ্য




*তেলেংগানাত অৱস্থিত

^বহু ভূ-সম্পত্তিৰ মালিক


... গোটেই ৰাতি সেইবোৰ পঢ়িছিল...
... আৰু ৰাতিপুৱালৈ পঢ়ি শেষ কৰিছিল।
তোমাৰ কিতাপ।
তুমি এইখন শেষ কৰিলা নেকি?
আৰু তেওঁ সদায় স্কুললৈও গৈছিল।
সোনকালেই, তেওঁ কলেজ শেষ কৰি তেলেগু ভাষাৰ শিক্ষকতা আৰম্ভ কৰিলে। পিছত তেওঁ পিএইচডি সম্পূৰ্ণ কৰি এখন চৰকাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ পদ লাভ কৰিছিল। তেওঁ বহুতো কিতাপ কিনিব পৰা হৈছিল।
কুৰিল্লাই তেলেগু ভাষাত ২২ খন কিতাপ ৰচনা কৰিছে।
1993 চনত তেওঁ অৱসৰ গ্ৰহণ কৰে আৰু নিজৰ গাওঁলৈ উভতি আহে।
এতিয়া মই ভৰা পুথিভঁৰালটো বনাব পাৰিম। মোৰ যি সম্পদৰ অভাৱ আছিল এই শিশুসকল সেই অভাৱ কেতিয়াও নহ’ব।
ইয়াৰ বাবে কেইবছৰমান সময় লাগিল, কিন্তু 2014 চনত –
প্ৰিন্সিপাল চাৰ, আপুনি কি কৰি আছে?
মই মোৰ সাঁচতীয়া ধনেৰে মোৰ ঘৰৰ তলৰ মহলাত এটা ডাঙৰ হল নিৰ্মাণ কৰি আছো।


সোনকালেই –
মোৰ ঘৰৰ এটা অংশত থকা এই পুথিভঁৰালটো এতিয়া পঢ়িব বিচৰা যিকোনো লোকৰ বাবে উৎসৰ্গিত। মোৰ 5,000 কিতাপৰ সকলোবিলাক ইয়াত বিনামূলীয়াকৈ উপলব্ধ। যদি আন কোনোবাই তেওঁলোকৰ কিতাপ দান কৰিব বিচাৰে, মই কৃতজ্ঞ হৈ থাকিম।
WELCOME
লেখক, কবি, শিক্ষাৰ্থী, সকলোৱে সঁহাৰি জনালে। অতি সোনকালেই 5000 খন কিতাপ 200000লৈ বৃদ্ধি পালে! সেইসমূহৰ ভিতৰত কিছুমান অতি বিৰল কিতাপো আছিল।
আমাক অধিক ঠাইৰ প্ৰয়োজন! মই এটা ডাঙৰ পুথিভঁৰাল বনাব লাগিব।
কুৰিল্লাই তেওঁৰ ঘৰৰ প্ৰথম মহলাটোও পুথিভঁৰাললৈ ৰূপান্তৰিত কৰিলে। 'আচাৰ্য কুৰিল্লা গ্ৰন্থলয়ম' জ্ঞানৰ ভঁৰাল হৈ পৰিল।
এতিয়ালৈকে, আঠজন গৱেষকে মোৰ পুথিভঁৰালৰ পৰা আহৰণ কৰা তথ্যৰ ওপৰত নিৰ্ভৰ কৰি পিএইচডি ডিগ্ৰী লাভ কৰিছে।
তেলেগু ভাষালৈ আগবঢ়োৱা অৱদানৰ বাবে 2019 চনত ড. কুৰিল্লা ভিট্ৰালচাৰ্যক দশৰথি বঁটা প্ৰদান কৰা হয়। প্ৰধানমন্ত্ৰী মোডীয়ে মন কি বাত অনুষ্ঠানটো তেওঁৰ বিষয়ে উল্লেখ কৰে।
যিটো কথাই মোক আটাইতকৈ সুখী কৰি তুলিছে সেইটো হ'ল মোৰ পুথিভঁৰালে অন্য লোকসকলকো গ্ৰাম্য পুথিভঁৰাল স্থাপন কৰিবলৈ অনুপ্ৰাণিত কৰিছে। ইয়াৰ অৰ্থ হৈছে যে ভিতৰুৱা সৰু গাঁৱৰ শিশুসকল কেতিয়াও কিতাপৰ অভাৱৰ সন্মুখীন হ'বলগীয়া নহ'ব।

# ৰাহুল মহাৰাণা




*উৰিষ্যাত অৱস্থিত



এই বটলটো বোকাৰ কেইবাটাও তৰপেৰে ঢাক খাই আছে! এই আৱৰ্জনাবোৰ নিশ্চয় দীৰ্ঘদিন ধৰি জমা হৈছে।
নদীৰ পাৰত বাস কৰা লোকসকলে বটলবিলাক পানীত দলিয়াই দিয়ে।
মেংগ্ৰোভবোৰ পৰিৱেশ তন্ত্ৰৰ বাবে অতি গুৰুত্বপূৰ্ণ আৰু ভূমিক সাগৰৰ পৰা সুৰক্ষিত কৰি ৰাখে! আমি সেইবিলাকৰ যত্ন ল'ব লাগিব
এটা বস্তা আৰু এক সংকল্পৰে সজ্জিত হৈ...
... ৰাহুলে তেওঁৰ দেওবাৰবিলাক অষ্টৰাংগাত কটাবলৈ আৰম্ভ কৰিলে।


তেওঁৰ প্ৰচেষ্টাই জনতাৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। 2022 চনৰ 8 জানুৱাৰী তাৰিখে তেওঁ আৰম্ভ কৰা প্ৰথম পৰিচ্ছন্নতাৰ অভিযানত বহুতো স্বেচ্ছাসেৱকে অংশগ্ৰহণ কৰিছিল।
সকলোকে ধন্যবাদ! আমি এটা দিনত বহু কাম কৰিলো।
হুৰৰে!
বৰ্তমান এজন নিৰাপত্তাৰক্ষী ৰূপে কাম কৰে যদিও ৰাহুল আজিও তেওঁৰ লক্ষ্যৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ।
এই পৰিচ্ছন্নতাৰ প্ৰকল্পবোৰত খৰচ কৰিবলৈ সময় আৰু ধন পোৱাটো অতি কঠিন নহয়নে?
মই মোৰ বেছিভাগ উপাৰ্জন এইবিলাকতে ব্যয় কৰো। পৰিৱৰ্তন আনিব পৰা কাম কৰি বৰ ভাল লাগে। মোৰ মা-দেউতাইও এনে কামত মোক সমৰ্থন কৰে।
ৰাহুল আৰ্দ্ৰভূমি পুনৰুদ্ধাৰৰো এজন সমৰ্থক।
এই মেংগ্ৰোভবোৰ ৰোপণ কৰিবলৈ পাই মই সুখী।
সেইবোৰ সম্পূৰ্ণৰূপে ডাঙৰ হ'লে, জৈৱ বৈচিত্ৰ্যৰে ভৰি পৰিব আৰু উপকূলীয় অঞ্চল সুৰক্ষিত কৰি তুলিব।
এতিয়ালৈকে, ৰাহুলে 2,250 কিলোগ্ৰাম আৱৰ্জনা পৰিষ্কাৰ কৰিছে।
মানুহে আৱৰ্জনা পেলাই থাকিলে ইয়াৰ পৰিমাণো বাঢ়ি গৈ থাকিব। যদি সকলোৱে পৰিৱেশ সংৰক্ষণৰ প্ৰতি নিজা দায়িত্ব পালন কৰে, তেন্তে পৰিস্থিতি নিশ্চিতভাৱে উন্নত হ'ব।



# মন কি বাত

## খণ্ড -4

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীৰ ৰেডিঅ' অনুষ্ঠান মন কি বাতে আমাক আমাৰ মাজত বাস কৰা অসাধাৰণ ব্যক্তিসকলৰ সৈতে চিনাকি কৰি দিয়ে। বিশাল হৃদয় আৰু অটল সংকল্পৰ অধিকাৰী এইসকল ব্যক্তিয়ে অতি গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াবলৈ সক্ষম হৈছে।

বিদ্যালয়ৰ অধ্যক্ষা আৰু সমাবেশী শিক্ষাদান পদ্ধতিৰ প্ৰৱক্তা দীপমালা পাণ্ডেৰ কথাই ধৰা। তেখেতৰ 'এজন শিক্ষক, এটা কল'! কাৰ্যসূচীয়ে, ধীৰে ধীৰে কিন্তু নিশ্চিতভাৱে, বিশেষভাৱে সক্ষম শিক্ষাৰ্থীসকলক আন যিকোনো শিশুৰ দৰে একে মানদণ্ডৰ শিক্ষা প্ৰাপ্ত কৰাত সহায় কৰিছে।

তুমি জানেনে যে আমাৰ দেশত সূৰ্যৰ ৰ'দৰ অভাৱ নথকা স্বত্বেও অধিকাংশ ভাৰতীয়ই ভিটামিন ডি-ৰ অভাৱত ভুগি আছে? ই চিন্তলা ভেংকট ৰেড্ডী নামৰ এজন কৃষকৰ চিন্তাৰ কাৰণ হৈ পৰিছিল আৰু পৰৱৰ্তী সময়ত তেওঁ ভিটামিন ডি থকা শস্যৰ খেতি কৰাৰ এক অভিনৱ উপায় বিচাৰি পাইছিল।

নথিপত্ৰৰ বাবে আৱেদন কৰাই হওক বা গৃহকাৰ্যৰ বাবে কৰা গৱেষণাই হওক, এই সকলোবিলাক কেৱল কেইটামান ক্লিকৰ দূৰত। অৱশ্যে, সকলোৰে ওচৰত ইণ্টাৰনেট সংযোগ নাই। ওম প্ৰকাশ সিঙৰ বিষয়ে পঢ়া, যি তেওঁৰ গাওঁখনক ৱৰ্ল্ড ৱাইড ৱেবৰ আশ্চৰ্যকৰ পৃথিৱীৰ সৈতে চিনাকি কৰি দিছিল।

মন কি বাতৰ চতুৰ্থ খণ্ডটোৱে তোমালোকৰ বাবে এঘাৰটা নতুন কাহিনী লৈ আহিছে, যিবিলাকে তোমালোকক নিশ্চয়কৈ অনুপ্ৰাণিত কৰি তুলিব।



₹99

www.amarchitrakatha.com
ISBN 978-81-19596-14-0
9 788119 596140